# প্ৰতিধ্বনি *The Echo*

ড° ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰ,
সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত

সদৌ অসম ভিত্তিত

## ভূপেন্দ্ৰ সংগীত আৰু
## সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা



স্থানঃ মুহিকান্ত তামুলী প্ৰেক্ষাগৃহ, সৰুপথাৰ মহাবিদ্যালয়
দিনাংকঃ ২৯ জুন, ২০২৬
সময়ঃ ৰাতিপুৱা ৯ বজাৰ পৰা

প্ৰতি,
শ্ৰীযুত/যুতা..............................................

..............................................

"জীয়াই থাকি এখন সমাজ
গঢ়িবৰ মোৰ পণ আছে,
য'ত সোণতকৈ মানুহৰ দাম
অলপ হ'লেও বেছি আছে......"



শ্ৰদ্ধাভাজনেষু,

স্বকীয় কণ্ঠ, বিষয়বস্তুৰ বৈচিত্ৰ্য, অপূৰ্ব গায়ন-শৈলী আৰু বলিষ্ঠ প্ৰক্ষেপণেৰে বিশ্বৰ সংগীত জগতত অনন্য স্থান দখল কৰা, ধৰাৰ দিহিঙে-দিপাঙে লৱৰি ফুৰা আজীৱন উৰণীয়া মৌ, দুৰন্ত তৰুণ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ গীতত আছে সময় আৰু সমাজৰ কথা, আছে লোকজীৱনৰ প্ৰতিচ্ছবি, দেশ আৰু জাতিৰ কাহিনী। একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, চিত্ৰকৰ, কবি, চিত্ৰ-পৰিচালক তথা এগৰাকী সফল সঙ্গীত পৰিচালকৰূপে খ্যাতি লাভ কৰা এইগৰাকী জীৱন্ত কিংবদন্তিৰ সৃষ্টিৰাজিক স্মৰণ কৰাৰ মানসেৰে তথা শিল্পীগৰাকীৰ এশ বছৰীয়া জন্মজয়ন্তী উপলক্ষ্যে সৰুপথাৰ মহাবিদ্যালয় 'ড° ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰ'ৰ উদ্যোগত অহা ২৯ জুন, ২০২৬ তাৰিখে সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ আপোনাৰ/আপোনালোকৰ উপস্থিতি আৰু সহায়-সহযোগিতা একান্তভাৱে কামনা কৰি সাদৰেৰে নিমন্ত্ৰণ জনালোঁ।

ভৱদীয় -

প্ৰাঞ্জল দত্ত
সমন্বয়ক
ড° ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰ
দূৰভাষঃ ৭৮৯৬৪৪৬৫২৫

প্ৰশান্ত পোদ্দাৰ
আহ্বায়ক
ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা
আয়োজক সমিতি
দূৰভাষঃ ৯১০১৮৭১০১১

ড° প্ৰাপ্তি ঠাকুৰ
অধ্যক্ষ
সৰুপথাৰ মহাবিদ্যালয়
মুখ্য পৃষ্ঠপোষক
ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা
আয়োজক সমিতি

# প্ৰতিযোগিতাৰ নিয়মাৱলী

১। প্ৰতিযোগিতা পুৱা ৯ বজাৰ পৰা আৰম্ভ কৰা হ'ব।

২। ১৩ বছৰৰ পৰা যিকোনো বয়সৰ ব্যক্তিৰ বাবে প্ৰতিযোগিতাখনি মুকলি থাকিব।

৩। প্ৰতিযোগিতাত সৰ্বমুঠ ৫ টা পুৰস্কাৰ থাকিব।প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰা প্ৰতিযোগীলৈ প্ৰাইজমানিৰ লগতে মানপত্ৰ আৰু আকৰ্ষণীয় পুৰস্কাৰ আগবঢ়োৱা হ'ব।

৪। মহাবিদ্যালয়ৰ তৰফৰ পৰা বাদ্যযন্ত্ৰ সংগতকাৰী শিল্পীৰ ব্যৱস্থা কৰা হ'ব।অৱশ্যে শিল্পীসকলে নিজাববীয়াকৈয়ো বাদ্যযন্ত্ৰীৰ ব্যৱস্থা কৰিব পাৰিব।

৫। সংগীত প্ৰতিযোগিতাৰ পঞ্জীয়ন মাচুল ৫০০/- (পাঁচশ) টকা মাত্ৰ। নৃত্য প্ৰতিযোগিতাৰ পঞ্জীয়ন মাচুল ৩০০/- (তিনিশ) টকা মাত্ৰ।

৬। সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা ড° ভূপেন হাজৰিকাৰ যিকোনো এটা অসমীয়া অথবা হিন্দী গীতৰ আধাৰত হ'ব লাগিব।

৭।প্ৰতিযোগীসকলে থকা-খোৱাৰ ব্যৱস্থা নিজেই কৰিব লাগিব।অৱশ্যে প্ৰতিযোগিতাৰ দিনা প্ৰতিযোগী আৰু তেওঁৰ অভিভাৱক (মাত্ৰ এজন)ৰ বাবে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা থাকিব।

৮। নৃত্য প্ৰতিযোগিতা সংগীত প্ৰতিযোগিতাৰ সামৰণিৰ পাছত দুপৰীয়া ১ বজাৰ পৰা অনুষ্ঠিত হ'ব।

## নিৰ্বাচিত গীতসমূহ

১। নতুন নিমাতী
২। বিক্ষুব্ধ বিশ্বকণ্ঠই
৩। দোলা এ দোলা
৪। চিৰ যুগমীয়া ঢৌ
৫। অতীতৰ বুৰঞ্জী
৬। সময়ৰ অগ্ৰগতি
৭। কত জোৱানৰ মৃত্যু হ'ল
৮। জনকপুৰৰ জানকীয়ে
৯। মদাৰৰে ফুল হেনো
১০। মই এটি যাযাবৰ
১১। মোৰ মন বাঘ যদি
১২। ৰুমঝুম ৰুম নেপুৰ বজায়
১৩। আকাশী গংগা
১৪। অপৰূপা
১৫। চিনাকি চিনাকি মোৰ
১৬। শ্বিলঙৰে গধূলি
১৭। আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান
১৮। তোমাৰ দেখোঁ নাম পত্ৰলেখা
১৯। মই যেন আজীৱন উৰণীয়া মৌ
২০। অ' বিদেশী বন্ধু দুৰ্ভগীয়া



# পুৰস্কাৰসমূহ

গীতৰ বাবেঃ

প্ৰথম পুৰস্কাৰঃ  ৬০০০/- টকা

দ্বিতীয় পুৰস্কাৰঃ ৫০০০/- টকা

তৃতীয় পুৰস্কাৰঃ ৪০০০/- টকা

বিচাৰকৰ বিশেষ বঁটাঃ ১০০০/- টকা
(দুজন প্ৰতিযোগীৰ বাবে)

নৃত্যৰ বাবেঃ

প্ৰথম পুৰস্কাৰঃ  ৪০০০/- টকা

দ্বিতীয় পুৰস্কাৰঃ ৩০০০/- টকা

তৃতীয় পুৰস্কাৰঃ ২০০০/- টকা